ISSN : 2322-0759
DUNARI

# দুণৰি

চতুৰ্থ সংখ্যা ঃ ২০১৫

ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক গৱেষণামূলক পত্ৰিকা





অসমীয়া বিভাগ ঃ বি. এইচ্. কলেজ, হাউলী

# 'ময়লা আঁচল' আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত' ভাৰতীয় গ্ৰাম্য জীৱনৰ প্ৰতিফলন ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

বিপুল ডেকা *

**অৱতৰণিকা ঃ**

ভাৰতৰ মুঠ জনসংখ্যাৰ ৬৮.৮৪ শতাংশ লোক এতিয়াও গাঁৱত বাস কৰে। গ্ৰাম্য জনসংখ্যাৰ এই হাৰ ইয়াৰ আগৰ দশক কেইটাত বেছি আছিল। সেয়ে স্বাভাৱিকতেই ভাৰতীয় সাহিত্য সংস্কৃতিৰ মূল পৃষ্ঠভূমি হিচাপে বিবেচিত হৈ আহিছে ভাৰতীয় গ্ৰাম্য সমাজ। গ্ৰাম্য সমাজৰ সামাজিক আৰু সাংস্কৃতিক প্ৰমূল্যসমূহৰ ভিত্তিতেই গঢ়ি উঠিছে এক ভাৰতীয় সংস্কৃতিৰ মূল ভেঁটি। উপন্যাস সাহিত্যৰ ক্ষেত্ৰত গ্ৰাম্য ভাৰতৰ ছবিখন অধিক স্পষ্ট ৰূপত দেখা যায়। ভাৰতৰ প্ৰাদেশিক ভাষাৰ উপন্যাসৰ সূক্ষ্ম অধ্যয়ন আৰু বিশ্লেষণৰ সহায়ত গ্ৰাম্য ভাৰতৰ এক উমৈহতীয়া দৃশ্যপট নিৰ্মাণ কৰিব পৰা যায়। এই গৱেষণামূলক নিবন্ধত ফণীশ্বৰ নাথ ৰেণুৰ **'ময়লা আঁচল'** আৰু মামণি ৰয়চম গোস্বামীৰ **'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'**— এই দুখন উপন্যাসৰ আধাৰত বিহাৰ আৰু অসমৰ গ্ৰাম্য জীৱনৰ এটি তুলনাত্মক বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

**হিন্দী উপন্যাসৰ পৃষ্ঠভূমি ঃ**

হিন্দী উপন্যাসৰ বিকাশৰ গতি কিছু মন্থৰ। প্ৰথম অৱস্থাত লোক সংস্কৃতিমূলক কথা আৰু সংস্কৃত তথা পাচী সাহিত্যৰ আলমত হিন্দী উপন্যাসে বিকাশৰ পথত আগবাঢ়িছিল। ১৮৪৩ চনত লালা শ্ৰীনিবাস দাসে ৰচনা কৰা *'পৰীক্ষাগুৰু'* নামৰ উপন্যাসখনকেই হিন্দী সাহিত্যৰ প্ৰথম উপন্যাস বুলি কোৱা হয়। বহু বিচিত্ৰ প্লট আৰু সাংঘাটিক ধৰণৰ কাহিনীৰ ঔৎসুক্যৰ সহায়ত হিন্দী উপন্যাসক অধিক জনপ্ৰিয় কৰি তুলিছিল দেৱকীনন্দন খট্ৰীয়ে। খট্ৰীয়ে আৰম্ভ কৰা এই ধাৰাটোক কিশোৰীলাল গোস্বামী প্ৰমুখ্যে কিছু সংখ্যক ঔপন্যাসিকে আগবঢ়াই নিয়ে। কিন্তু এই সময়ছোৱাৰ হিন্দী উপন্যাসে হিন্দী বলয়ৰ গ্ৰাম্য জীৱনক প্ৰতিনিধিত্ব কৰিবলৈ সম্পূৰ্ণৰূপে সক্ষম হোৱা নাছিল।

হিন্দী উপন্যাসত গ্ৰাম্য জীৱনৰ যথাৰ্থ ৰূপ প্ৰতিফলিত হয় প্ৰেমচন্দৰ উপন্যাসত। এই সময়ত প্ৰেম চন্দৰ উপৰিও জয়শংকৰ প্ৰসাদ, সিয়াৰামচৰণ গুপ্ত, বৃন্দাৱন লাল বৰ্মা আদিয়ে গ্ৰাম্য জীৱনক আধাৰ কৰি ভালেমান সাহিত্য ৰচনা কৰে। প্ৰেমচন্দ আৰু তেওঁৰ অনুগামী লেখক গোষ্ঠীৰ লেখাৰ মাজত গ্ৰাম্য জীৱনৰ স্বৰূপ উদ্‌ঘাটনত সাম্যবাদী দৃষ্টিভংগী লক্ষ্য কৰা যায়। এই সময়ছোৱাৰ লেখক সকলৰ লেখাত ঘাইকৈ জমিদাৰ বা ঠাকুৰ শ্ৰেণীৰ লগত সমাজৰ একেবাৰে নিম্নস্তৰৰ কৃষক গোষ্ঠীৰ সংঘাত প্ৰতিফলিত হৈছে। শ্ৰেণী সংঘাতৰ এই চিত্ৰ এইসকল ঔপন্যাসিকৰ ৰচনাত বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহণ কৰিছে। শ্ৰেণী সংঘাতৰ উপৰিও প্ৰেমচন্দকালীন লেখক সকলে পাৰিবাৰিক কন্দল, ঈৰ্ষা-

* *সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বাপুজী মহাবিদ্যালয় সৰুক্ষেত্ৰী, সৰ্থেবাৰী*

অসূয়া, অনৈতিক যৌন সম্পৰ্ক, জাতপাতৰ বিচাৰ ইত্যাদি গ্ৰাম্যজীৱনৰ অনুষংগবিলাককো তেওঁলোকৰ লেখাৰ মাজত ঠাই দিছে। প্ৰেমচন্দৰ 'গোদান'ৰ নায়ক হৰি উচ্চ বৰ্গৰ লোকৰদ্বাৰা প্ৰতাৰিত হৈ খেতিয়কৰ পৰা সাধাৰণ মজদুৰলৈ ৰূপান্তৰিত হোৱা আৰু এজনী গাই কিনাৰ শেষ আশা বুকুত বান্ধি মৃত্যুবৰণ কৰা ঘটনাই সেই সময়ৰ গ্ৰাম্য ভাৰতৰ স্বৰূপ উদঙাই দিছে। এই সময়ছোৱাৰ উপন্যাসত যিদৰে সামাজিক কু-ৰীতি আৰু এইবিলাকে সৃষ্টি কৰা সমস্যাবিলাকৰ নিদৰ্শন দাঙি ধৰা হৈছে, তেনেদৰে এইবিলাকৰ প্ৰতি লাহে লাহে সমাজত বিৰোধ আৰম্ভ হোৱাৰো ইংগিত দেখা যায়। গাঁৱৰ সাধাৰণ প্ৰজাৰ জমিদাৰ বা ঠাকুৰ শ্ৰেণীৰ বিৰুদ্ধে গৰজি উঠাৰ উক্‌মুকনিতে অংকুৰিত হৈছে পৰিবৰ্তনৰ বীজ। প্ৰেমচন্দকালীন হিন্দী উপন্যাসৰ পিচৰ পৰ্যায়ত সাম্যবাদী ধাৰাটো কিছু স্তিমিত হৈছিল আৰু ইয়াৰ পৰিবৰ্তে পৰিয়ালকেন্দ্ৰিক ঘটনা প্ৰবাহ হিন্দী উপন্যাসৰ পৃষ্ঠভূমি হিচাপে বিবেচিত হৈছিল।

**অসমীয়া উপন্যাসৰ পৃষ্ঠভূমি ঃ**

*'অৰুণোদই'*ত প্ৰকাশ পোৱা *'জাত্ৰিকৰ জাত্ৰা'*ত অসমীয়া উপন্যাসৰ বীজৰ অংকুৰণ হৈছিল। কিন্তু প্ৰকৃততে অসমীয়া উপন্যাসৰ বিকাশৰ ধাৰাটো আৰম্ভ হৈছিল পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত। গোহাঞি-বৰুৱাৰ *'ভানুমতী'*কে প্ৰথম অসমীয়া উপন্যাসৰ মৰ্যাদা দিয়া হয়। অসমীয়া উপন্যাসৰ বিকাশৰ ধাৰাটো লক্ষ্য কৰিলে দেখা যায় যে সামাজিক পৃষ্ঠভূমিক বিষয় হিচাপে লৈ অসমীয়া উপন্যাসে বিকাশৰ পথত আগবঢ়া নাছিল। আনকি উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈদেৱে *'মিৰি জীয়ৰী'*তে সামাজিক উপন্যাস ৰচনা কৰাৰ প্ৰচেষ্টাৰ অন্ত পেলাইছিল। সামাজিক পৃষ্ঠভূমিক বাদ দি অসমীয়া ঔপন্যাসিকসকলে ঐতিহাসিক পৃষ্ঠভূমিৰ প্ৰতি বেছি আকৰ্ষিত হৈছিল। অৱশ্যে ইয়াৰ কাৰণ নহোৱা নহয়। অসমীয়া উপন্যাসৰ আৰম্ভণিৰ স্তৰত অসমীয়া সমাজখন এখন বৈচিত্ৰহীন আৰু সৰল বৈখিক সমাজ আছিল। স্বাভাৱিকতেই বৈচিত্ৰ্যহীন গ্ৰাম্য সমাজখনত উপন্যাস ৰচনাৰ সমল বিচাৰি ঔপন্যাসিকসকল বিমুখ হ'ব লগা হৈছিল। ইয়াৰ পৰিবৰ্তে ছশ বছৰীয়া আহোমৰ শাসন, মানৰ আক্ৰমণ আদি ঐতিহাসিক ঘটনাসমূহে স্বাভাৱিকতেই ঔপন্যাসিকসকলক আকৰ্ষিত কৰিছিল। কিন্তু মনকৰিবলগীয়া কথা হ'ল পদ্মনাথ গোহাঞিবৰুৱাৰ *'ভানুমতী'*বা 'লাহৰী'য়েই হওক নাইবা ৰজনীকান্ত বৰদলৈৰ *'নিৰ্মল ভকত'*েই হওক প্ৰায়বিলাক অসমীয়া ঐতিহাসিক উপন্যাসৰেই কিন্তু আকৰ্ষণৰ কেন্দ্ৰ বিন্দু আছিল গ্ৰাম্য অসমীয়া সমাজ। সেয়ে *'নিৰ্মল* ভকত'ত ঐতিহাসিক মানৰ আক্ৰমণৰ প্ৰসঙ্গতকৈ সহজ-সৰল অসমীয়া গ্ৰাম্য জীৱনৰ ৰূপ অধিক আকৰ্ষণীয় ৰূপত উদ্ভাসি উঠিছে।

দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ পৰা অসমীয়া সামজিক উপন্যাসৰ উত্থান আৰম্ভ হৈছিল আৰু এই সময়ছোৱাতে আগশাৰীৰ অসমীয়া উপন্যাসসমূহ ৰচিত হৈছিল। বিৰিঞ্চি কুমাৰ বৰুৱা (বীণা বৰুৱা)ৰ *'জীৱনৰ বাটত'* এই সময়ছোৱাত ৰচিত এখন উল্লেখযোগ্য অসমীয়া উপন্যাস। দৰাচলতে *'জীৱনৰ বাটত'*অসমীয়া উপন্যাস সাহিত্যৰ সৰ্বোতকৃষ্ট সৃষ্টি বুলিও ক'ব পাৰি। এই মহাকাব্যিক উপন্যাসখনত অসমীয়া সামাজিক পৰম্পৰা আৰু অনুষংগই বাটৰ লগৰীৰ দৰে পাঠকৰ হাতে হাত ধৰি আগবাঢ়ে। অসমীয়া গ্ৰাম্য জীৱনক অধিক গতিশীল আৰু বাস্তৱসন্মত ৰূপত উপস্থাপন কৰিছে হিতেশ ডেকাই। তেখেতৰ প্ৰায়বিলাক উপন্যাসৰে পৃষ্ঠভূমি অসমীয়া গ্ৰাম্য সমাজ। তেনেদৰে মামণি ৰয়চম গোস্বামীৰ উপন্যাসত অসমীয়া গ্ৰাম্য জীৱনৰ প্ৰতিফলন একেবাৰে সজীৱ।

**'ময়লা আঁচল'ত গ্ৰাম্য জীৱনৰ প্ৰতিফলন ঃ**

১৯৫৪ চনত প্ৰকাশিত ফণীধৰ নাথ ৰেণুৰ *'ময়লা আঁচল'* উপন্যাসৰ পটভূমিৰ সময় ১৯৪৫ চন। সামগ্ৰিক বিচাৰত *'ময়লা আঁচল'* এখন আঞ্চলিক উপন্যাস আৰু এই কথাটো ঔপন্যাসিক ৰেণুৱে উপন্যাসখনৰ পাতনিত নিজেই উল্লেখ কৰিছে। উপন্যাসখনৰ কথা বস্তুৰ মাজত যিবিলাক সামাজিক কাৰক সক্ৰিয় হৈ উঠিছে, সেই বিলাকত প্ৰতিফলিত হৈছে বিহাৰ ৰাজ্যৰ গ্ৰাম্য অৱস্থাৰ ছবি। গ্ৰাম্য জীৱনৰ অনগ্ৰসৰতা, দুখ দৈন্য, অভাৱ, অজ্ঞান, জাতপাতৰ বিচাৰ, অন্ধবিশ্বাস, বিভিন্ন ধৰণৰ সামাজিক শোষণৰ বলি সাধাৰণ জনতাৰ দুখ দুৰ্দশা আদিক পৃষ্ঠভূমি হিচাপে লৈ উপন্যাসৰ কাহিনীভাগ নিৰ্মিত হৈছে।

বিহাৰৰ সাধাৰণ গ্ৰাম্য সমাজত থকা জাত-পাতৰ বিচাৰে সামাজিক ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। জাত-পাতৰ এই ব্যৱস্থাটোৱে বিহাৰৰ প্ৰগতিত বহু ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। ইয়াৰ প্ৰতিকুল প্ৰভাৱৰ পৰা আজিও বিহাৰৰ সাধাৰণ প্ৰজা মুক্ত নহয়। ৰাজপুত, কায়স্থ, যাদৱ আৰু কম সংখ্যক ব্ৰাহ্মণ জাতিৰ লোকেৰে পৰিবেষ্টিত উপন্যাসৰ পটভূমি মেৰীগঞ্জ অঞ্চল। মেৰীগঞ্জ বিহাৰৰ পূৰ্ণিয়া জিলাৰ এখন ভিতৰুৱা গাঁও। সাধাৰণতে গ্ৰাম্য জীৱনৰ মাজত জাত-পাতৰ বিচাৰ দেখিবলৈ পোৱা গলেও সেইবিলাক এটা নিৰ্দিষ্ট নিয়মৰ মাজত আৱদ্ধ আৰু সামাজিকভাৱে নিয়মবিলাক কোনেও ভংগ নকৰে। কিন্তু উপন্যাসৰ পটভূমি মেৰীগঞ্জৰ লোকসকলৰ জাত-পাতৰ বিচাৰ কিছু ব্যতিক্ৰমধৰ্মী। ইয়াত প্ৰতিটো জাতিয়ে নিজৰ স্থান আনবিলাক জাতিতকৈ ওপৰত বুলি ভাৱে। বিশেষকৈ ৰাজপুত, কায়স্থ আৰু যাদৱসকলে প্ৰত্যেকটো জাতিয়ে নিজক আনতকৈ উচ্চ স্থানত প্ৰক্ষেপ কৰিছে।

অবৈধ যৌন সম্পৰ্ক ভাৰতবৰ্ষৰ প্ৰতিটো অঞ্চলতে দেখা যায়। সেই ফালৰ পৰা মেৰীগঞ্জ ব্যতিক্ৰম নহয়। ইয়াত যি যৌন সম্পৰ্কৰ কথা কোৱা হৈছে সি কিছু উন্মুক্ত। ৰামপিয়াৰী, ফুলিয়াৰ মা আদি চৰিত্ৰৰ যৌনাচাৰ কিছু ব্যতিক্ৰমধৰ্মী। আনপিনে এই অবৈধ যৌনাচাৰৰ কেন্দ্ৰ স্থল হৈ পৰিছে ধৰ্মীয় অনুষ্ঠান। ভাৰতীয় গ্ৰাম্য জীৱনৰ অধ্যয়নত এইটো কথা অতি স্পষ্ট হৈ পৰে যে গাঁৱৰ লোকসকল যিমানেই অজ্ঞ, ধৰ্মভীৰু অন্ধবিশ্বাসী আৰু কু-সংস্কাৰযুক্ত হয় সিমানেই ব্যভিচাৰৰ মাত্ৰা বৃদ্ধি পায়। অৰ্থাৎ এচাম ধুৰন্ধৰ প্ৰকৃতিৰ লোকে ধৰ্মক দোহাই দি দুষ্কাৰ্য চৰিতাৰ্থ কৰাৰ সুবিধা উলিয়াই লয়। মেৰীগঞ্জতো সেয়াই ঘটিছে। যি ধৰ্মীয় অনুষ্ঠানে সমাজৰ পৰা ব্যভিচাৰ কু-সংস্কাৰ আদি আঁতৰালৈ অগ্ৰণী ভূমিকা ল'ব লাগিছিল, সেই ধৰ্মীয় অনুষ্ঠান হৈ পৰিছিল এই বিলাক দুষ্কাৰ্যৰ কেন্দ্ৰস্থল। '*ময়লা আঁচলত*' মঠ কেন্দ্ৰিক সম্পত্তি আৰু যৌনাচাৰে অধিকাৰসকলক লালায়িত কৰিছে আৰু ইয়ে গ্ৰাম্য সমাজখনক বিপথগামী কৰি তুলিছে।

কৃষি কাৰ্যৰ লগত জড়িত হৈ কৰা হাড় ভঙা পৰিশ্ৰম, শোষণ নিৰ্যাতন, নানা কু-সংস্কাৰ আদিৰ কেকোঁৰা চেপাত পিষ্ট সাধাৰণ গ্ৰাম্যবাসীয়ে বিভিন্ন লোক উৎসৱ অনুষ্ঠানৰ মাজত জীয়াই থকাৰ প্ৰেৰণা লাভ কৰে। এয়া ভাৰতীয় গ্ৰাম্য সমাজৰ এক সাধাৰণ ছবি। মেৰীগঞ্জৰ লোকসকলৰ ক্ষেত্ৰতো সেই একেই কথা দেখা গৈছে। লোক সংস্কৃতিয়ে এটা জাতিৰ পৰিচয় নিৰ্ণয় কৰে। লোক সংস্কৃতিৰ মৌলিক উপাদানসমূহৰ মূল ক্ষেত্ৰ হ'ল গ্ৰাম্য সমাজ। লোক সংস্কৃতিগত উপাদানসমূহৰ ওপৰত নিৰ্ভৰ কৰি এটা জাতিৰ ক্ৰমোন্নতিৰ ধাৰাটো বিশ্লেষণ কৰিব পাৰি। সাধাৰণতে দেখা গৈছে লোক সংস্কৃতিগত উপাদানত সম্পদশালী অঞ্চল বিলাকে সাংস্কৃতিক ক্ষেত্ৰখনৰ লগতে বিকাশৰ অন্যান্য ক্ষেত্ৰ বিলাকতো আগুৱাই যাবলৈ সক্ষম হৈছে। ইয়াত অঞ্চলটোৰ

লোকসকলৰ বুদ্ধিমত্তাৰো পৰিচয় পোৱা যায়। আনকি সাংস্কৃতিকভাৱে উন্নত কোনো এটা অঞ্চলৰ লোকে তেওঁলোকৰ সংস্কৃতিগত উপাদানসমূহক সৰ্বভাৰতীয় স্তৰলৈ লৈ যাবলৈও সক্ষম হৈছে। '*ময়লা আঁচলত*' থকা 'সিৰবা পৰ্ব, 'জাত-জাট্রিনৰ খেলা', 'বাৰহমাসা' আদি লোক সংস্কৃতিৰ উপাদানসমূহে অঞ্চলটিৰ বহল সাংস্কৃতিক ক্ষেত্ৰখনৰ সম্ভেদ দিছে।

**দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাওঁ গ্ৰাম্য জীৱনৰ প্ৰতিফলনঃ**

'*দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*'ত যিখন সমাজক পটভূমি হিচাপে লোৱা হৈছে সেইখন সত্ৰ কেন্দ্ৰিক দক্ষিণ কামৰূপৰ এখন গ্ৰাম্য সমাজ। উপন্যাসখনত যদিও মানুহৰ অব্যক্ত বেদনাক গভীৰ মননশীলতাৰে নিৰীক্ষণ কৰা হৈছে তথাপি ইয়াৰ কথা বস্তুৰ মাজে মাজে সমকালীন গ্ৰাম্য সমাজৰ এখন সুন্দৰ ছবিও দৃশ্যমান হৈছে।

পৰম্পৰাগত অন্ধবিশ্বাস আৰু কু-সংস্কাৰে কেনেদৰে অসমীয়া গ্ৰাম্য নাৰীৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল সেই কথা অতি গভীৰভাৱে উপন্যাসখনত বৰ্ণনা কৰা হৈছে। গিৰিবালা আৰু ইলিমনৰ চৰিত্ৰ দুটাৰ সহায়ত নাৰীৰ লগত জড়িত কু-সংস্কাৰ আৰু ইয়াৰ বিষময় পৰিণামৰ কথা কোৱা হৈছে। সাপে খুটিওৱাত মাৰ্ক চাহাবে গিৰিবালাক স্পৰ্শ কৰিব লগা হৈছে, আনপিনে ৰাজহুৱা ভোজত বিধবা গিৰিবালাই মাংস ভক্ষণ কৰিছে, গতিকে এই দুই অপৰাধৰ বাবে গিৰিবালাক প্ৰায়চিত্ত কৰা হ'ল। কিন্তু গিৰিবালাক প্ৰায়চিত্ত কৰা জুইৰ ধোঁৱাৰ লগত মিহলি মানুহৰ পোৰা মাংসৰ গোন্ধে গোটেই সমাজখনকে কলুষিত কৰিলে। এনেকুৱা ধৰণৰ চিন্তা উদ্ৰেককাৰী ঘটনা প্ৰবাহেৰে উপন্যাসখনত গ্ৰাম্য জীৱনৰ উচিত প্ৰতিফলন ঘটাইছে। উচ্চ বৰ্গৰ ৰক্ষণশীল হিন্দু সমাজখনত সৰু গোসাঁনী এক বিৰোধী সত্ত্বা হিচাপে স্থান পাইছে। সৰু গোসাঁনীয়ে সেয়ে পৰম্পৰাগত নিয়মক অতিক্ৰম কৰি অকলশৰীয়া জীৱন নিৰ্বাহ কৰিছে। ইয়াৰ বাবে তেওঁক ইন্দ্ৰ নাথৰ মাতৃয়ে তিৰস্কাৰো কৰিছে। অসমীয়া গ্ৰাম্য সমাজত পুৰুষৰ স্থান যে সদায় নাৰীৰ ওপৰত সেই টো কথা উপন্যাসখনৰ বহু কথাত প্ৰতিফলিত হৈছে আৰু পুৰুষ নিৰ্দেশিত নীতি-নিয়ম অসমীয়া গ্ৰাম্য নাৰীয়ে বিনা প্ৰতিবাদে তথা ভক্তি সহকাৰে গ্ৰহণ কৰিছে। উপন্যাসখনত অসমীয়া গ্ৰাম্য সমাজত বসবাস কৰা বিভিন্ন জাতিৰ যেনে গোসাঁই, ব্ৰাহ্মণ, শূদ্ৰ, ডোম, কুমাৰ, হীৰা আদিৰ উল্লেখ পোৱা যায়। তেনেদৰে গ্ৰাম্য নাৰীৰ অলংকাৰৰ বিৱৰণে নাৰীৰ সৌন্দৰ্য চৰ্চাৰ ইংগিত দিয়ে। জগলীয়া নৈৰ পাৰৰ প্ৰাকৃতিক পৰিৱেশ, সেই অঞ্চলৰ সত্ৰসমূহৰ সামন্ততান্ত্ৰিক প্ৰতিপত্তি, সাধাৰণৰ প্ৰজাৰ মাজত বিদ্ৰোহৰ উকমুকনি আদিয়ে সমকালীন গ্ৰাম্য অৱস্থাৰ স্বৰূপ নিৰ্ণয়ত উপন্যাসখনৰ কথা বস্তুৱে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

**'ময়লা আঁচল' আৰু 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওঁদা'ৰ আধাৰত বিহাৰ আৰু অসমৰ গ্ৰাম্য জীৱনৰ বিশ্লেষণঃ**

উপন্যাস দুখনত প্ৰতিফলিত গ্ৰাম্য জীৱনৰ কথাই অঞ্চল দুটাৰ কিছুমান বৈশিষ্ট্যৰ ইঙ্গিত দিয়ে। প্ৰথম কথা সুক্ষ্ম বিচাৰত যদিও দুয়োটা অঞ্চলৰে গ্ৰাম্য জীৱনৰ কিছু বিশেষত্ব দৃষ্টি গোচৰ হয় তথাপি সামগ্ৰিক বিচাৰত বি ধৰণৰ গ্ৰাম্য পৰম্পৰাই গোটেই গ্ৰাম্য ভাৰতবাসীক প্ৰভাৱিত কৰি ৰাখিছে, সেই গ্ৰাম্য পৰম্পৰা উপন্যা দুখনতো প্ৰতিফলিত হৈছে। দুয়োখন উপন্যাসৰে পটভূমি সময় প্ৰায় একে আৰু সেইফালৰ পৰা দুয়োটা অঞ্চলৰ গ্ৰাম্যলোকৰ চিন্তাৰ সামঞ্জস্য লক্ষ্য কৰা যায়। বিশেষকৈ যুক্তিবাদী চিন্তক বাদ দি পৰম্পৰাগত চিন্তাৰ মাজতে দুয়োটা অঞ্চলৰ লোক আবদ্ধ হৈ থকা দেখা যায়।

'*ময়লা আঁচল*'ত মঠকেন্দ্ৰিক ধৰ্মৰ ব্যভিচাৰৰ পৰা '*দঁতাল হাতীৰ উঁয়ে খোৱা হাওঁদা*'ৰ সত্ৰ কেন্দ্ৰিক আচাৰ

বহু উৰ্দ্ধত। অন্তত অসমীয়া গ্ৰাম্য সমাজৰ ধৰ্মস্থান বিলাক যৌন ব্যভিচাৰৰ আড্ডাস্থলীলৈ পৰিৱৰ্তন হোৱা নাছিল।

জাত পাতৰ বিচাৰ অসমৰ গ্ৰাম্য সমাজতো আছিল; কিন্তু সি এটা নিৰ্দিষ্ট সামাজিক ৰীতি-নীতিৰ মাজত আবদ্ধ আছিল আৰু পৰম্পৰাগতভাৱে নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোকৰ প্ৰতি শ্ৰদ্ধাপূৰ্বক দৃষ্টি ৰাখিছিল।

সংস্কৃতিগত উপাদানৰ ক্ষেত্ৰত *'ময়লা আঁচল'*ৰ পৃষ্ঠভূমিৰ অঞ্চলটি বহুত আগবঢ়া আছিল ইয়াৰ বিপৰীতে অসমীয়া গ্ৰাম্য সমাজত সাংস্কৃতিক বৈচিত্ৰ তুলনামূলকভাৱে কম আছিল। অৱশ্যে অন্ধবিশ্বাস, কু-সংস্কাৰ আদি বিলাকৰ ধৰণ কৰণ দুয়োখন গ্ৰাম্য সমাজৰে প্ৰায় এক আছিল।

*'ময়লা আঁচল'*ৰ জমিদাৰ তহচিলদাৰৰ আচৰণ আৰু দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ জমিদাৰ সত্ৰাধিকাৰৰ আচাৰ ব্যৱহাৰ আৰু চিন্তাধাৰাৰ কিছু অমিল দেখা যায়। সত্ৰাধিকাৰ প্ৰভূসকলৰ চিন্তধাৰা সংস্কৃত আৰু উন্নততৰ আছিল।

দুয়োখন উপন্যাসৰ গ্ৰাম্য নাৰীৰ চৰিত্ৰই এইটো নিৰ্দেশ কৰে যে পৰম্পৰাগত ভাৰতীয় গ্ৰাম্য সমাজত নীচ জাতিৰ নাৰী সকল কিছু পৰিমাণে মুকলিমুৰীয়া আৰু স্বাধীন আছিল। অৰ্থাৎ নীচ জাতিৰ নাৰীৰ তুলনাত উচ্চ বৰ্গৰ হিন্দু নাৰীসকল ৰক্ষণশীল আছিল।

**উপসংহাৰ ঃ**

ভাৰতবৰ্ষ এখন বিশাল দেশ। স্বাভাবিকতেই ইয়াৰ প্ৰতিটো অঞ্চলৰে কিছুমান সুকীয়া সুকীয়া আঞ্চলিক বিশেষত্ব আছে। বিভিন্ন প্ৰাকৃতিক পৰিবেশ, জলবায়ু আদিয়েও এই সুকীয়া পৰিচয়ৰ কাৰক হৈ পৰিছে। সেয়ে স্বাভাবিকতেই এটা অঞ্চলৰ লোকৰ লগত আন এটা অঞ্চলৰ লোকৰ বহুখিনি পাৰ্থক্য আছে। এই পাৰ্থক্য ভাষাগত, সংস্কৃতিগত আৰু সামাজিক আচৰণগত। তথাপিও যি মূল সত্ত্বাকলৈ ভাৰতীয় গ্ৰাম্য সমাজৰ ভেঁটি নিৰ্মাণ হৈছে সেই মূল সত্ত্বা সকলো ভাৰতীয় গ্ৰাম্য অঞ্চলতে দেখা যায়। এই মূল সত্ত্বাটোৱে হৈছে সহনশীলতা আৰু আন্তৰিকতা।

**গ্ৰন্থপঞ্জী ঃ**


দেৱ চৌধুৰী ফণীন্দ্ৰ কুমাৰ (সম্পা.) ঃ এশ বছৰৰ অসমীয়া গদ্য সাহিত্য
নাথ প্ৰফুল্ল কুমাৰ ঃ তুলনামূলক ভাৰতীয় সাহিত্য
ৰেণু ফণীশ্বৰ নাথ ঃ ময়লা আঁচল
গোস্বামী মামণি ৰয়চম ঃ দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা
হুচেইন নিকুমণি ঃ মামণি ৰয়ছমৰ আভা আৰু প্ৰতিভা
ভৰালী হেমন্ত কুমাৰ ঃ মামণি ৰয়ছম— স্বপ্ন-দুঃস্বপ্নৰ ডায়েৰী
শৰ্মা সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
শৰ্মা ৰাজনাথ ঃ হিন্দী সাহিত্য কা ইতিহাস
ভৰালী শৈলেন ঃ উপন্যাস, বিচাৰ আৰু বিশ্লেষণ
দেৱ চৌধুৰী বিনীতা বৰা ঃ ভাৰতীয় সাহিত্য অধ্যয়ন
ভাগৱতী প্ৰণৱ কুমাৰ ঃ ময়লা আঁচল এক সমীক্ষা